# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 19-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

দুলীয়াজানৰ এটা তেলডিপোৰ কৰ্মচাৰীক শাৰীৰিক প্ৰহাৰ কৰাৰ গোচৰত দুলীয়াজান আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক আজি ডিব্ৰুগড়ৰ মুখ্য ন্যায়িক দণ্ডাধীশ আদালতে জামিন প্ৰদান কৰাৰ কিছুসময় পাছতে পুনৰ ডিব্ৰুগড় আৰক্ষীয়ে আন এটা গোচৰত গ্ৰেপ্তাৰ কৰে। ভাৰতীয় ন্যায় সংহিতাৰ একাধিক ধাৰাত পঞ্জীয়নভুক্ত গোচৰৰ ভিত্তিত আজি ছাত্ৰ নেতাজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীয়ে তেওঁক ৩ দিনৰ জিম্মাত বিচাৰি মুখ্য ন্যায়িক দণ্ডাধীশ আদালতত আবেদন কৰিছিল যদিও আদালতে সেয়া নাকচ কৰে। ইয়াৰ পূৰ্বে যোৱা নিশা তেল ডিপোটোৰ কৰ্মচাৰীক শাৰীৰিক প্ৰহাৰ কৰা বুলি প্ৰতিষ্ঠানটোৰ একাংশ কৰ্মচাৰীয়ে ৰুজু কৰা গোচৰৰ ভিত্তিত ছাত্ৰ নেতাজনক আটক কৰা হৈছিল।

ইপিনে, শংকৰজ্যোতি বৰুৱাক ডুলিয়াজান আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাক লৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিকে ধৰি বিভিন্নজনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি সন্ধিয়া শিৱসাগৰত ছাত্ৰ মুক্তিৰ কৰ্মীসকলে অচিৰেই প্ৰাক্তন ছাত্ৰ নেতাজনক মুক্ত কৰি নিদিলে ৰাজ্যজুৰি প্ৰতিবাদ তীব্ৰতৰ কৰি তোলা হব বুলি দাবী কৰে।

০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত কাইলৈ আৰক্ষী অধীক্ষকৰ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনৰ বাবে প্ৰতিষ্ঠানটোত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত বিশেষ অতিথি হিচাপে অংশ লোৱাৰ কথা। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছতে ড° শৰ্মাই প্ৰতি ছমাহত অসম আৰক্ষী অধীক্ষকৰ সন্মিলন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত আইনৰ শাসন সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষকসকলক লক্ষ্য স্থিৰ কৰি দিছিল। কাইলৈ এই সন্মিলনত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ পৰা বিগত সময়ছোৱাৰ কাম-কাজ আৰু আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কীয় সবিশেষ তথ্য গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০

সততে কৃত্ৰিম বানৰ কবলত পৰা গুৱাহাটী মহানগৰীৰ অনিল নগৰত ঠিকাদাৰৰ কামক লৈ কামৰূপ মহানগৰ জিলা আয়ুক্ত সুমিত চট্টাৱনে অসন্তুষ্টি প্ৰকাশ কৰিছে। আজি সন্ধিয়া অনিল নগৰত ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰি জিলা আয়ুক্তগৰাকীয়ে কাম সম্পূৰ্ণ কৰিব নোৱাৰা ঠিকাদাৰৰ বিৰুদ্ধে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ আইন অনুসৰি ব্যৱস্থা লোৱা হ'ব বুলি সাংবাদিকৰ আগত উল্লেখ কৰে। উল্লেখযোগ্য যে অনিল নগৰত কৃত্ৰিম বান ৰোধৰ ক্ষেত্ৰত প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ কৰাৰ সময়সীমা আছিল ৩০ এপ্ৰিল। এই সময়চোৱাত কাম সম্পূৰ্ণ নোহোৱাত যোৱা বৃহস্পতিবাৰে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ৩ দিনৰ ভিতৰত আধৰুৱা কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু ইয়াৰ পাছতো একাংশ ঠিকাদাৰে নলা চাফা কৰাৰ কাম সম্পূৰ্ণ কৰিব নোৱাৰাত জিলা আয়ুক্তগৰাকীয়ে ঠিকাদাৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সদৰি কৰে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ভক্‌ছুঙত আজি সম্ভাব্য বানৰ প্ৰস্তুতি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত কাৰ্বি লাংপি নৈৰ বাঢ়নী পানীয়ে প্ৰতিবছৰে ক্ষতি কৰা অঞ্চলসমূহৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণ সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি বানৰ সময়ত গ্ৰহণ কৰিবলগীয়া জৰুৰীকালীন ব্যৱস্থা সন্দৰ্ভতো সভাই আলোচনা কৰে। জিলাখনৰ আয়ুক্ত সাৰংগপানি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সঘনে বানত ক্ষতিগ্ৰস্ত হোৱা খাৰুপিন্ধা, আমডুবি অঞ্চলৰ উপৰি পৰৱৰ্তী পৰ্যায়ত তামোলবাৰী, বৰকক, ডালিমবাৰীকে ধৰি কেইবাটাও অঞ্চলক গুৰুত্বসহকাৰে লোৱাৰ বিষয়ে আলোচনা কৰা হয়।

oooo

লখিমপুৰ জিলাৰ দুলুং সংৰক্ষিত বনাঞ্চলত দুলুংমুখ ৰেঞ্জত কাইলৈৰ পৰা ৩০ আগষ্টলৈ সেনা বাহিনীৰ সশস্ত্ৰ অনুশীলন কৰা হ'ব। এই সময়ছোৱাত সেনা বাহিনীয়ে বোমা বিস্ফোৰণ, গুলি চালনা আদিৰ অনুশীলন কৰিব। লখিমপুৰ জিলা প্ৰশাসন আৰু বন বিভাগে এটা নিৰ্দেশনাযোগে এই সময়ছোৱাত দুলুংমুখ ৰেঞ্জ এলেকাত সাধাৰণ লোকৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে। জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি ৰোধ কৰাৰ উদ্দেশ্যে এই ক্ষেত্ৰত সজাগ কৰিবলৈ প্ৰশাসনে এই নিৰ্দেশনা জাৰি কৰিছে।

oooo

ডিব্ৰুগড় জিলা আয়ুক্তৰ অধ্যক্ষতাত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত জল আৰু অনাময় অভিযানৰ এখন সভা অনুষ্ঠিত হয়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিব্ৰুগড়, মৰাণ আৰু নাহৰকটিয়াৰ উপ সংমণ্ডলৰ অন্তৰ্গত অঞ্চলসমূহত জল জীৱন মিছনৰ অধীনত নলযোগে পানী সংযোগ প্ৰদান, পানীৰ গুণাগুণ পৰীক্ষা আদি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। এই সভাতে স্বচ্ছ ভাৰত অভিযান-গ্ৰামীনৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভতো পৰ্যালোচনা কৰা হয়।

oooo

বাক্সা জিলাৰ শালবাৰীত আজি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বিজেপিৰ এখন বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। শ্ৰীদাসে সমাগত বিটিচি নিৰ্বাচন সন্দৰ্ভত শালবাৰী মণ্ডলৰ সৈতে মত বিনিময় কৰি এই নিৰ্বাচনত পূৰ্বৰ দৰে বিজেপিয়ে অকলে প্ৰতিদ্বন্দিতা কৰিব বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ মথনগুৰি পৰিষদীয় সমষ্টিৰ জাখলি পথাৰতো এই নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দলৰ কাৰ্যকৰ্তাসকলে মত বিনিময় কৰে।

oooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে, ছানৰাইজাৰ্ছ হায়দৰাবাদক জয়ৰ বাবে ২০৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্ণৌয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০৫ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ মিশ্বেল মাৰ্শ্বে সৰ্বাধিক ৬৫ ৰাণ আৰু এইডেন মাৰক্ৰামে ৬১ ৰাণ কৰে। ইয়াৰ পূৰ্বে চানচাইজাৰ্ছ হায়দৰাবাদে টছত জিকি লক্ষ্ণৌ চুপাৰ জায়েণ্টছক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়।

oooo

সমাপ্ত